# এপ্লাইড মেটেৰিয়েলছৰ CEO গেৰী ই. ডিকছনৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

জুন 22, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 21 জুন 2023ত ৱাশ্বিংটন DCত এপ্লাইড মেটেৰিয়েলছৰ অধ্যক্ষ আৰু CEO শ্ৰী গেৰী ই. ডিকছনক সাক্ষাৎ কৰে।

2. প্ৰধানমন্ত্ৰীয়ে ভাৰতত ছেমিকণ্ডাক্টৰ পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰাত অৱদান আগবঢ়োৱা বাবে এপ্লাইড মেটেৰিয়েলছক আমন্ত্ৰণ জনায়। প্ৰধানমন্ত্ৰীয়ে ভাৰতত প্ৰক্ৰিয়া প্ৰযুক্তি আৰু উন্নত পেকেজিং ক্ষমতাৰ বিকাশৰ বাবে এপ্লাইড মেটেৰিয়েলছকো আমন্ত্ৰণ জনায়।

3. প্ৰধানমন্ত্ৰী আৰু শ্ৰী ডিকছনে দক্ষ কৰ্মশক্তি সৃষ্টিৰ বাবে ভাৰতৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ সৈতে এপ্লাইড মেটেৰিয়েলছৰ সহযোগিতাৰ সম্ভাৱনাৰ বিষয়ে আলোচনা কৰে।

**ৱাশ্বিংটন DC**
**জুন 21, 2023**